জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১১০/২০২২**

# অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহু উপলক্ষে মুখ্যমন্ত্ৰীৰ অভিনন্দন

**দিছপুৰ, ১৩ এপ্ৰিল ঃ** অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহু উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ সকলো শ্ৰেণীৰ জনসাধাৰণলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

আজি এক বাৰ্তাযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমৰ বৰ্ণিল কলা-সংস্কৃতিৰ উৰ্বৰা ক্ষেত্ৰখনত বিহুৱে স্বকীয়তাৰে উদ্ভাষিত হৈ আহিছে। বিহু উৎসৱত সৰু-বৰ সকলো জাতি-জনগোষ্ঠীৰ নিজস্ব কৃষ্টি আৰু সংস্কৃতি প্ৰতিফলিত হয়। এই প্ৰতিফলনে বিহুৰ কলাত্মক দিশটো অধিক শক্তিশালী কৰি সকলোকে সমন্বয়ৰ বাতাৱৰণৰ মাজেদি আগুৱাই যোৱাৰ বাবে প্ৰেৰণা যোগাই আহিছে। অসমীয়া জাতিৰ আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, খাদ্য, থলুৱা ক্ৰীড়া, পোছাক-পৰিচ্ছদ, অলংকাৰৰ লগতে আমাৰ ঐতিহ্যমণ্ডিত তাঁতশিল্পৰ নানন্দিক দিশ আদি সকলো সংপৃক্ত হৈ বিহুৱে জাতিটোক প্ৰতিনিধিত্ব কৰাৰ লগতে ৰাজ্যখনৰ জাতীয় জীৱনৰ আয়ুসৰেখা হৈ পৰিছে।

ৰঙালী বিহুৱে অসমীয়া জাতি সত্ত্বাৰ সৃজনী শক্তি তুলি ধৰাৰ লগতে ইয়াৰ মাজেৰে প্ৰৱাহিত সাংস্কৃতিক ফল্গুধাৰাই জাতিটোক উজ্বলি উঠাৰ বাবে প্ৰেৰণা যোগাই আহিছে বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ লগতে কয় যে বিহুগীত, হুঁচৰি নৃত্যত আছে কেঁচা মাটিৰ গোন্ধ, জনজীৱনৰ স্পন্দন আৰু অসমীয়া মানুহৰ মনৰ গতিশীলতা। অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহু উদ্‌যাপনে শান্তি, ঐক্য আৰু প্ৰেমৰ বাৰ্তা কঢ়িয়াই আনি ৰাজ্যখনৰ বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষী জনসাধাৰণৰ মাজত থকা সাতামপুৰুষীয়া ঐক্যৰ এনাজৰী আৰু অধিক সুদৃঢ় কৰাত অৰিহণা যোগাব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

**নিঃকুঃদাঃ**
**১৩-০৪-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in